# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-DEC-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

-------------------

১।  ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ চৰকাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয়ৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত চাইকেল বিতৰণ।

২।  সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন জিলাত আজিৰে পৰা ইভিএম আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ।

৩।  দুদিনীয়া মণিপুৰ ভ্ৰমণসূচীৰে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু ইম্ফলত উপস্থিত।

**আৰু**

৪।  অৰুণাচল প্ৰদেশৰ আনজাও জিলাত এটা পথ দুৰ্ঘটনাত অসমৰ ১৪ জন শ্ৰমিকসহ কেইবাজনো নিহত। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শোক প্ৰকাশ।

০০০০০

মুখ্যমন্ত্ৰী ড॰ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত চৰকাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয়ৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত চাইকেল বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই উপলক্ষে ফুলবাগানৰ পুৰণি চৰকাৰী উচ্চ মাধ্যমিক বালক বিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই আঁচনিৰ দ্বাৰা ৰাজ্যৰ চৰকাৰী, প্ৰাদেশিকীকৃত আৰু চাহ বাগিচা আদৰ্শ বিদ্যালয়ত অধ্যয়নৰত ৩ লাখ ১০ হাজাৰৰো অধিক শিক্ষাৰ্থী লাভান্বিত হ'ব। ড০ শৰ্মাই ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ আমোল পৰিৱৰ্তনৰ লগতে শিক্ষাৰ্থীসকলৰ ভৱিষ্যতমুখী যাত্ৰাত প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সন্দৰ্ভত আলোকপাত কৰে। বৰ্তমান সময়ত আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বহু পৰিমাণে কম হোৱাটো ৰাজ্যৰ শিক্ষা ক্ষেত্ৰৰ বাবে ইতিবাচক লক্ষণ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। দূৰণিবটীয়া বিদ্যালয়লৈ অহা-যোৱাৰ ক্ষেত্ৰত সুবিধা প্ৰদানেৰে ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মীয়া অধ্যয়ন সহজ কৰি তোলাৰ দিশত এই চাইকেল বিতৰণ আঁচনি যুগান্তকাৰী পদক্ষেপ হিচাপে পৰিগণিত হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক মোবাইল ফোনৰ সদ্ ব্যৱহাৰেৰে বিশ্বৰ বিভিন্ন প্ৰান্তৰ ভূগোল, বুৰঞ্জী, বিজ্ঞান, ক্ৰীড়াকে ধৰি নতুন নতুন তথ্য আৰু জ্ঞান আহৰণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত অংশ লৈ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয়, যে বিদ্যালয়ত শিক্ষকৰ উপস্থিতিৰ দৰে ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰতো একেই নিয়ম প্ৰযোজ্য হ'ব আৰু বিদ্যালয়ত উপস্থিত নথকা ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকলৈ স্বয়ংক্ৰিয়ভাৱে মেছেজ যাব। আজিৰ অনুষ্ঠানত শিক্ষা সচিব নাৰায়ণ কোঁৱৰ, মন্ত্ৰী বিমল বৰা, যোগেন মহনকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ যোৱা ১৯ ছেপ্তেম্বৰত ছিংগাপুৰত ৰহস্যজনক মৃত্যু সন্দৰ্ভত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ তদন্তকাৰী গোট, এছ্ আই টিয়ে কাইলৈ আদালতত অভিযোগনামা দাখিল কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত এই সন্দৰ্ভত কয় যে আদালতত অভিযোগনামা দাখিলৰ পাছত এছ্ আই টি বা আৰক্ষীৰ কাম শেষ হ'ব আৰু নিৰ্ধাৰিত পদ্ধতি অনুযায়ী বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। তেওঁ আদালতৰ ওপৰত আস্থা ৰাখিবলৈ সংশ্লিষ্ট সকলোৰে প্ৰতি আহ্বান জনায়।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত চি আই ডিত ৰুজু হোৱা ১৮/২০২৫ নম্বৰৰ গোচৰটোৰ অভিযোগনামা কাইলৈ আদালতত দাখিল কৰা হ'ব। অভিযোগনামা দাখিলৰ নিৰ্ধাৰিত সময়সীমা ১৮ ডিচেম্বৰত উকলি যাব যদিও ছদিন পূৰ্বেই এছ্ আই টিয়ে অভিযোগনামা দাখিল কৰিব বুলি এছ্ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই ইতিমধ্যে প্ৰকাশ কৰিছে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন জিলাত আজিৰে পৰা ইভিএম আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ অনুষ্ঠিত হৈছে। বৰপেটা জিলাৰ সোণকুছি কলনিস্থিত গুদামঘৰত পুৱা ৯ বজাত প্ৰথম পৰ্যায়ৰ পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হয়। বৰপেটা জিলা নিৰ্বাচনী বিষয়া প্ৰকাশ কৰা মতে পঞ্জীয়নভুক্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলে এই প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে। জিলাখনত এই পৰ্যায়ত এহেজাৰ ৪০১টা বেলট ইউনিট, এহেজাৰ ৫১৩টা কণ্ট্ৰল ইউনিট আৰু এহেজাৰ ৫১৩টা ভিভিপেট পৰীক্ষা কৰা হ'ব।

কামৰূপ জিলা আয়ুক্ত কাৰ্যালয় চৌহদত থকা ইভিএম গুদামঘৰত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ ইভিএম আৰু ভিভিপেটৰ পৰীক্ষণ প্ৰক্ৰিয়াত ভাৰতীয় ইলেক্ট্ৰনিক্স নিগম লিমিটেডৰ ১০ জন অভিযন্তাৰ লগতে স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকল উপস্থিত থাকে। জিলাখনত অহা ২৩ ডিচেম্বৰলৈ প্ৰথম পৰ্যায়ৰ পৰীক্ষণত এহেজাৰ ৯৪৪টা বেলট ইউনিট, দুহেজাৰ ৯৯টা কণ্ট্ৰল ইউনিট আৰু দুহেজাৰ ৯৯টা ভিভিপেটৰ পৰীক্ষা কৰা হ'ব। এই সন্দৰ্ভত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আমাৰ সংবাদদাতাৰ আগত এইদৰে কয়–

**বাইট (দেৱ কুমাৰ মিশ্ৰ)**

দৰং নিৰ্বাচনী জিলাৰ তিনিটা বিধানসভা সমষ্টিৰ বাবেও আজি ইভিএম আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ আৰম্ভ হৈছে। অহা ২৫ ডিচেম্বৰলৈকে চলিবলগীয়া এই পৰীক্ষণ প্ৰক্ৰিয়া ১২ জনীয়া এটা অভিযন্তাৰ দলে তদাৰক কৰিছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া মণিপুৰ ভ্ৰমণসূচীৰে আজি ইম্ফলত উপস্থিত হয়। ৰাষ্ট্ৰপতিগৰাকীক বিমান বন্দৰত মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা, মুখ্য সচিব ড০ পুনিত কুমাৰ গোৱেলকে ধৰি কেইবাগৰাকী শীৰ্ষ বিষয়াই আদৰণি জনায়। শ্ৰীমতী মুৰ্মু বিমান বন্দৰৰ পৰা পোনে পোনে ইম্ফলৰ ৰাজভৱনলৈ যায়। ইয়াৰ পাছত তেওঁ ঐতিহাসিক মাপল কাংজেইবুং পল' খেলপথাৰত পল' খেল উপভোগ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ সন্মানাৰ্থে ইম্ফলৰ চিটী কনভেন্সন চেণ্টাৰত আয়োজন কৰা অভ্যৰ্থনা অনুষ্ঠানত ভাগ ল'ব। শ্ৰীমতী মুৰ্মুৱে আজি সন্ধিয়া ৰাজভৱনত ৰাজ্যখনৰ স্থানান্তৰিত হোৱা লোকসকলক সাক্ষাৎ কৰি তেওঁলোকৰ সৈতে মত বিনিময় কৰিব।

ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ ইম্ফলত থকা নুপি লাল স্মাৰক পৰিদৰ্শন কৰাৰ লগতে ব্ৰিটিছ্ শাসনৰ বিৰুদ্ধে ন্যায় বিচাৰী যুঁজ দিয়া মণিপুৰৰ সাহসী মহিলাসকলৰ প্ৰতি সন্মান জনাব। ইয়াৰ পাছত তেওঁ সেনাপতি জিলাত এখন জনসভাত অংশ ল'ব আৰু জিলাখনত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০০

অৰুণাচল প্ৰদেশৰ আনজাও জিলাত হোৱা এটা পথ দুৰ্ঘটনাত অসমৰ ১৪ জন শ্ৰমিককে ধৰি কেইবাজনো লোকৰ মৃত্যু হয়। সংবাদ মাধ্যমসমূহে আজি ইটানগৰত প্ৰকাশ কৰা মতে পাহাৰীয়া অঞ্চলৰ পৰা শ্ৰমিক কঢ়িয়াই অনা এখন ডাম্পাৰ ৰাজ্যখনৰ হায়ুলিয়াং-ছাগ্লাগাম পথত নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। প্ৰাৰম্ভিক তথ্য অনুসৰি বাহনখনত অসমৰ কমেও ২১ গৰাকী শ্ৰমিক আছিল। ঘটনাৰ পাছতেই স্থানীয় প্ৰশাসন আৰু এন ডি আৰ এফে শ্ৰমিকসকলক উদ্ধাৰৰ বাবে অভিযান অব্যাহত ৰাখিছে। উদ্ধাৰকাৰী দলে অসম আৰক্ষীৰ সৈতে এই অভিযানত সহায়ৰ বাবে যোগাযোগ ৰক্ষা কৰি আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অৰুণাচল প্ৰদেশত সংঘটিত এই শোকাৱহ পথ দুৰ্ঘটনাত অসমৰ শ্ৰমিকৰ প্ৰাণহানিৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰে অৰুণাচল প্ৰদেশৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ৰক্ষা কৰি থকাৰ লগতে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াইছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

০০০০০

কামৰূপ মহানগৰ জিলাত আজি ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱসৰ ৰাজ্যিক পৰ্যায়ত শুভাৰম্ভ কৰা হয়। এবছৰৰ পৰা ১৯ বছৰ বয়সৰ শিশুসকলক পেলুমুক্ত কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচী প্ৰতি বছৰে দুবাৰকৈ পালন কৰা হয়। সমগ্ৰ শিক্ষা অভিযানৰ মিছন সঞ্চালক ডাঃ ওম প্ৰকাশে মহানগৰীৰ উলুবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত এই অনুষ্ঠানৰ শুভাৰম্ভ কৰে। এই দিৱসৰ লগত সংগতি ৰাখি জিলাখনৰ অংগনবাড়ী কেন্দ্ৰ আৰু বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শৌচগাৰৰ ব্যৱহাৰ, পৰিস্কাৰকৈ হাত ধোৱাৰ অভ্যাস গঢ়ি তোলা আৰু বিশুদ্ধ খোৱাপানী সেৱনৰ সম্পৰ্কে সজাগতা সৃষ্টি কৰা হয়। ৰাজ্যৰ আন আন জিলাতো আজি ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস পালন কৰা হয়।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত শিশুৰ বিকাশ আৰু মহিলাৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰী কাৰ্যসূচী সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত ভাগ ল'ব শিশু বিকাশ প্ৰকল্পৰ ছিপাঝাৰৰ প্ৰকল্প বিষয়া প্ৰণীতা তালুকদাৰ আৰু ৰামপুৰ শিশু বিকাশ প্ৰকল্পৰ প্ৰকল্প বিষয়া গীতা দেৱীয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টীৰাণী ডেকাই। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী হৈছে আমিনুল ইছলাম।

০০০০০

গোৱালপাৰা জিলাৰ উন্নয়ন সমিতিৰ চলিত মাহৰ সভাখন আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। জিলা আয়ুক্ত প্ৰদীপ টিমুঙৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত জিলাখনৰ বিভিন্ন বিভাগৰ গুৰুত্বপূৰ্ণ বিষয়বোৰ আলোচনা কৰা হয়। বিভিন্ন বিভাগৰ মুৰব্বী-বিষয়াসকলে অংশগ্ৰহণ কৰা সভাত জিলাখনত ৰূপায়ণ হৈ থকা চৰকাৰৰ বিভিন্ন আঁচনিৰ লগতে কেতবোৰ অন্যান্য বিষয়ো আলোচনা কৰা হয়।

০০০০০

সমাপ্ত